# নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

**গীতিমণি হাটীমূৰীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, অসম মহিলা বিশ্ববিদ্যালয়
e-mail : gitimoni1988@gmail.com

**সাৰাংশ ঃ**
*অসমীয়া সাহিত্যৰ এক অনত্যম বিধা কবিতাৰ ক্ষেত্ৰখনত মহিলা কবিসকলেও নিগাজি আসন লাভ কৰি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। অসমীয়া মহিলা কবিসকলৰ ভিতৰত নিৰ্মলপ্ৰভা বৰদলৈ অন্যতম। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাই অসমীয়া কাব্যক্ষেত্ৰত বিশেষ স্থান অধিকাৰ কৰি আছে। কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ মাজেৰে বিবিধ প্ৰসংগৰ প্ৰকাশ ঘটা দেখা যায়। ইয়াৰ ভিতৰত লোক-জীৱনৰ প্ৰতিফলন এক অন্যতম দিশ। লোক-জীৱনৰ প্ৰতিফলনে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাক সুকীয়া বিশেষত্ব আৰু নতুনত্ব প্ৰদান কৰা দেখা যায়। লোক-জীৱনৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আন্তৰিকতাই কবিক লোক-জীৱনৰ কাষ চপাই নিয়াৰ লগতে তেওঁৰ কবিতাৰ জৰিয়তে আন্তঃপ্ৰাজন্মিক যোগসূত্ৰ স্থাপন কৰাৰ প্ৰয়াস পৰিলক্ষিত হয়। কবিয়ে আধুনিক জীৱনৰ সমস্যা, দুখ-যন্ত্ৰণা, অন্যায়-অবিচাৰৰ প্ৰতিবাদ কৰিবলৈ, সৰল লোক-জীৱনৰ মাদকতা উপলব্ধি কৰিবলৈ, লোক-জীৱনৰ বিবিধ উপাদানৰ সহায় লোৱা দেখা যায়। কবিৰ কবিতাত লোক-জীৱন এক বিশিষ্ট দিশ। লোক-জীৱনৰ প্ৰতিফলনে সামাজিক-সাংস্কৃতিক জীৱনশৈলীৰ স্বৰূপ নিৰ্মাণ কৰাতো ভূমিকা গ্ৰহণ কৰিছে। কবিয়ে সমাজ জীৱনৰ চিন্তা আৰু আদৰ্শৰ কেন্দ্ৰ হিচাপে লোক-জীৱনৰ সমলসমূহ ব্যৱহাৰ কৰি আধুনিক মানুহৰ সামাজিক সত্তাক উপলব্ধি কৰাৰো যত্ন কৰিছে। লোক-জীৱনৰ প্ৰতিফলনে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাক সমাজ অধ্যয়নৰ দিশ মুকলি কৰাৰ লগতে সৰল লোক-জীৱনৰ চিন্তা আৰু আদৰ্শৰ অভিব্যক্তি প্ৰকাশতো সহায় কৰিছে। গতিকে ক'ব পাৰি আধুনিক অসমীয়া কাব্যক্ষেত্ৰক বিশিষ্টতা প্ৰদান কৰা মহিলা কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন এক গুৰুত্বপূৰ্ণ অধ্যয়নীয় দিশ।*

**বীজ শব্দ ঃ** *কবিতা, লোক-জীৱন, সমাজ, প্ৰতিফলন, উপাদান, সমল, কাব্যক্ষেত্ৰ।*

**প্ৰস্তাৱনা ঃ**

কবিতা মানুহৰ অনুভূতি প্ৰকাশৰ এক মাধ্যম। মানৱ মনৰ বিবিধ অনুভূতিয়ে শব্দৰ মাধ্যমেৰে ৰূপ লাভ কৰি কবিতা সৃষ্টিত অৰিহণা যোগায়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোক-জীৱনৰ স্পষ্ট প্ৰতিফলন ঘটিছে। লোক-জীৱনৰ প্ৰকাশে জাতিৰ সাংস্কৃতিক চেতনা, চিন্তা, অনুভৱ আৰু কল্পনাৰ বহিঃপ্ৰকাশ ঘটাইছে। লোক- জীৱনৰ সাংস্কৃতিক চেতনাই নতুনৰ লগত সংযোগ ঘটি কবিৰ কবিতাৰ মূল পাঠক নতুন আয়তন প্ৰদান কৰাৰ লগতে কবিতাৰে নগৰ আৰু গাঁৱৰ মাজত একতা স্থাপন কৰিছে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা গাঁও আৰু পথাৰমুখী হোৱাই নহয়, তেওঁৰ কবিতাৰে বিভিন্ন জনগোষ্ঠীৰ দুখ-দুৰ্দশা আৰু সাংস্কৃতিক বৈশিষ্ট্যকো সামৰি লৈছে। কবিৰ কবিতাত লোক-জীৱনৰ অন্তৰ্গত আচাৰ-অনুষ্ঠান, শিল্পকলা, খাদ্যাভ্যাস, ৰীতি-নীতি, বিশ্বাস, সাজপাৰ, আ-অলংকাৰ আদি দিশসমূহৰ প্ৰতিফলন ঘটিছে। নাঙল-যুঁৱলিৰপৰা তাঁতশাললৈকে, বিহুৱানখনৰপৰা ৰিহাখনলৈকে পুষ্পিতা গাভৰুৰ ৰূপ বৰ্ণনাৰপৰা কাহুদি, খাৰলিলৈকে লোক-জীৱনত প্ৰচলিত, ব্যৱহৃত সমলে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত ঠাই পাইছে। গ্ৰাম্য জীৱনৰ সতেজ বৰ্ণনা, পৰম্পৰা তথা লোক-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল

মনোভাৱ আদিও প্ৰসংগক্ৰমে কবিতাৰে প্ৰকাশ পাইছে আৰু অসমীয়া কবিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোককলা, লোকসংগীত আদিক পৰীক্ষামূলকভাৱে উপস্থাপন কৰা দেখা যায়। কবিয়ে লোক-জীৱন আৰু লোকপৰম্পৰাক গভীৰভাৱে বুজি লৈ লোক-সংস্কৃতিক জীয়াই ৰখাৰ কৌশল গ্ৰহণ কৰিছে। অসমীয়া কবিতাৰে লোক-জীৱনৰ প্ৰসংগ প্ৰজন্মৰপৰা প্ৰজন্মলৈ হস্তান্তৰিত হৈছে। লোক-জীৱনক আধাৰ কৰি কবিতাৰ জৰিয়তে আন্তঃপ্ৰাজন্মিক যোগসূত্ৰ স্থাপন কৰিছে কবিয়ে। পুৰণি সাধুকথা বা কাহিনী এটাৰ কথিত ৰূপ এটাই লিখিত ৰূপ লাভ কৰাৰ পাছত সাধুকথাটোৰ বিষয়গত দিশ একে থাকিলেও তাৰ প্ৰকাশভংগী সলনি হয়। কবিতাৰে সাধুকথা বা কাহিনী এটা উপস্থাপন কৰোঁতে সমাজৰ লোকমনৰ চিন্তা, আশা, আকাংক্ষা, বিশ্বাস, অন্ধবিশ্বাস, ক্ৰূৰতা আদিৰ সন্মিলিত ৰূপ হিচাপে প্ৰকাশিত হৈছে।

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ উপস্থাপনে পৰম্পৰাক প্ৰতিপালন কৰাৰ লগতে অতীত আৰু বৰ্তমানৰ মাজত সম্পৰ্ক স্থাপন কৰি অসমীয়া কবিতালৈ গতিশীলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

- লোক-জীৱনৰ প্ৰতিফলনে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাক কেনেদৰে বিশিষ্টতা প্ৰদান কৰিছে সেই সম্পৰ্কে অধ্যয়ন কৰাৰ উদ্দেশ্যে বিষয়টো নিৰ্বাচন কৰা হৈছে।
- সাহিত্যৰ অনত্যম প্ৰশাখা কবিতাৰ মাজেৰে প্ৰতিফলিত লোক-জীৱনৰ প্ৰসংগই নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ বিষয়বস্তু নিৰ্মাণত কেনেধৰণে সহায় কৰিছে সেই বিষয়ে অধ্যয়ন কৰাৰ উদ্দেশ্যে আলোচনা-পত্ৰখন প্ৰস্তুত কৰা হৈছে।
- লোক-জীৱনৰ প্ৰতিফলনে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ প্ৰকাশভংগীলৈ অনা পৰিৱৰ্তন আৰু বিশিষ্টতা সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে বিষয়টো অধ্যয়ন কৰা হৈছে।
- লোক-জীৱনৰ প্ৰসংগ ব্যৱহাৰে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ প্ৰেক্ষাপট নিৰ্মাণত কেনেধৰণে সহায় কৰিছে সেই সম্পৰ্কে অধ্যয়ন কৰাৰ উদ্দেশ্যে আলোচনা-পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**গুৰুত্ব ঃ**

অসমৰ লোক-জীৱনক প্ৰতিনিধিত্ব কৰি নতুনত্ব আৰু বিশেষত্ব প্ৰদান কৰাৰ ক্ষেত্ৰত **নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন ঃ এক বিশ্লেষণাত্মক অধ্যয়ন** শীৰ্ষক বিষয়টো অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰসংগ ব্যৱহাৰে কবিতালৈ অনা পৰিৱৰ্তন, লোকসমাজ সংস্কৃতিৰ পুনৰনিৰ্মাণ আদিৰ বিশ্লেষণত বিষয়টো অধ্যয়নৰ গুৰুত্ব আছে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলনৰ প্ৰসংগ বিচাৰৰ প্ৰাসংগিকতাত বিষয়টো অধ্যয়নৰ গুৰুত্ব নিহিত হৈ আছে।

**অধ্যয়নৰ পদ্ধতি ঃ**

**নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন ঃ এক বিশ্লেষণাত্মক অধ্যয়ন** শীৰ্ষক আলোচনা পত্ৰখনৰ অধ্যয়নৰ পদ্ধতি হিচাপে প্ৰধানকৈ বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে। বিশ্লেষণাত্মক পদ্ধতিৰ জৰিয়তে অসমীয়া কবিতাৰ ধাৰা আৰু অসমীয়া কবিতাত লোক-জীৱনৰ প্ৰতিফলন কেনেদৰে ঘটিছে সেই সম্পৰ্কে অধ্যয়ন কৰা হৈছে। লোক-সংস্কৃতিৰ প্ৰসংগ অধ্যয়ন কৰোঁতে প্ৰাপ্ত তথ্যসমূহ বৰ্ণনা আৰু আলোচনাৰ ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ**

আলোচনা-পত্ৰখনৰ পৰিসৰত নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন সম্পৰ্কে অধ্যয়ন কৰা হৈছে। লোক-জীৱনৰ প্ৰতিফলনৰ ক্ষেত্ৰত উৎসৱ-অনুষ্ঠান, লোকশিল্প, আচাৰ-নীতি, লোকবিশ্বাস, লোক-সাজপাৰ আৰু লোকবিশ্বাসৰ প্ৰসংগ সামৰি লোৱা হৈছে।

**নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন ঃ**

সাহিত্যৰ এক অন্যতম বিভাগ হ'ল কবিতা। সৃষ্টিশীল সাহিত্য কবিতাৰ মাজেৰে বিবিধ বিষয় আৰু প্ৰসংগই ঠাই পায়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ মাজেৰেও আধুনিক জীৱনৰ বিভিন্ন প্ৰসংগ, অভিজ্ঞতা, সমাজ বাস্তৱতা, বিজ্ঞানৰ আৱিষ্কাৰ আদিৰ সমান্তৰালভাৱে লোক-জীৱনৰ বিভিন্ন উপাদানেও কবিতা সৃষ্টিৰ আঁৰত দৰকাৰী ভূমিকা গ্ৰহণ কৰা দেখা যায়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত মৌখিক সাহিত্য, ভৌতিক-সংস্কৃতি, সামাজিক লোকাচাৰ, লোক পৰিৱেশ্য কলাসমূহে এক সুকীয়া স্থান লাভ কৰিছে। কবিৰ কবিতাত লোক-জীৱনৰ

প্ৰকাশে জাতিৰ সাংস্কৃতিক চেতনা, চিন্তা, অনুভৱ আৰু কল্পনাৰো বৰ্হিপ্ৰকাশ ঘটাইছে। লোক-জীৱনৰ সাংস্কৃতিক চেতনাই নতুনৰ লগত সংযোগ ঘটি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ মূল পাঠক নতুন আয়তন প্ৰদান কৰিছে।

লোক-জীৱনৰ বিবিধ দিশৰ পূৰ্ণ উপস্থাপনে কবিৰ কবিতাক সমৃদ্ধ কৰিছে। লোকসমাজত প্ৰচলিত আচাৰ-অনুষ্ঠান, শিল্পকলা, খাদ্যাভ্যাস, ৰীতি-নীতি, বিশ্বাস, সাজপাৰ, আ-অলংকাৰ, সা-সঁজুলি আদি বিষয়সমূহৰ প্ৰতিফলন ঘটিছে কবিৰ ভাৱৰ অনুষংগৰূপে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোক-জীৱন আৰু আধুনিক জীৱনৰ মাজত সম্পৰ্ক স্থাপন হৈছে। গতিকে দেখা যায় নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন সম্পৰ্কে অধ্যয়নৰ যথেষ্ট থল আছে। অধ্যয়নৰ জৰিয়তে লোক-জীৱনৰ অন্তৰ্গত উৎসৱ-অনুষ্ঠান, লোকশিল্প, আচাৰ-নীতি, লোকবিশ্বাস আৰু লোক-সাজপাৰৰ প্ৰতিফলনে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাক কেনেধৰণৰ বৈশিষ্ট্য প্ৰদান কৰিছে সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**উৎসৱ-অনুষ্ঠানৰ প্ৰতিফলন ঃ**

উৎসৱ-অনুষ্ঠান কোনো এটা জাতিৰ জাতীয় জীৱনৰ পৰিচায়ক। উৎসৱ-অনুষ্ঠানে লোকসমাজৰ জীৱনশৈলীৰ বৈশিষ্ট্য আৰু গুৰুত্বপূৰ্ণ দিশসমূহৰ প্ৰতিফলন ঘটায়। সমাজ একোখনৰ স্ব-বৈশিষ্ট্য নিৰূপণতো উৎসৱ-অনুষ্ঠানে তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনত প্ৰচলিত উৎসৱ-অনুষ্ঠানৰ অনেক দিশ প্ৰতিফলিত হৈছে। শ্ৰমজীৱী মানুহৰ জীৱন আৰু জীৱিকা, আশা-কল্পনাৰ পৰিচিত ছবিখন কবিৰ কবিতাৰে প্ৰকাশ পাইছে। লোক-জীৱনত প্ৰচলিত উৎসৱ-অনুষ্ঠানসমূহৰ মাজেৰে প্ৰকাশিত লোকমনৰ কল্পনা, মানৱতা, সহানুভূতি আদিক বাস্তৱ আধুনিক জীৱনৰ সাৰথি কৰি কবিয়ে কবিতাৰে ব্যাখ্যা কৰিছে।

লোক অনুষ্ঠানৰ প্ৰতি কবিৰ মনত সুপ্ত হৈ থকা শ্ৰদ্ধাশীল মনোভাৱৰ বহিঃপ্ৰকাশ ঘটিছে কবিতাৰ মাজেৰে। লোক-জীৱনত বিবাহ অনুষ্ঠানৰ গুৰুত্ব আৰু তাৎপৰ্য উল্লেখযোগ্য। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ মাজেৰে লোক-জীৱনত প্ৰচলিত বিবাহ অনুষ্ঠানৰ স্পষ্ট ছবিখন প্ৰকাশ পাইছে। অসমীয়া সমাজ জীৱনত পালিত তোলনী বিয়াৰ প্ৰসংগই আধুনিক জীৱনকো কেনেদৰে প্ৰভাৱিত কৰিছে তাৰে কথা কবিয়ে উল্লেখ কৰিছে—

> বিহুৰ মাহ-হালধি সানি নতুনকৈ নোৱাই তোলনী হ'ল প্ৰতিজনী গাভৰু। পুষ্পিতা হ'ল কপউ ফুলেৰে। মুগাৰ মেখেলাৰ খচমচনি উঠিল। (ইফালে পেঁপাৰ মাত, সিফালে পেঁপাৰ মাত)... সিহঁতৰ গাত দেও লম্ভিল।[১]
>
> (যৌৱনমতী)

কবিৰ সৃষ্টিত তোলনী বিয়াৰ মাজেৰে নতুন জীৱনৰ হাবিয়াস প্ৰকাশ পাইছে। কবিয়ে লোকসমাজত আয়োজন কৰা তোলনী বিয়াৰ প্ৰসংগৰে লোক ঐতিহ্যক ৰোমন্থন কৰিছে।

নিৰ্মলপ্ৰভা বৰদলৈৰ 'আইতা' কবিতাটিত লোক উৎসৱৰ প্ৰতিফলনে কবিতাটিৰ পঠনীয় গুণ বৃদ্ধি কৰিছে। 'আইতা' লোক-জীৱনৰ প্ৰধান চৰিত্ৰ। আইতা চৰিত্ৰটিৰ জৰিয়তে কবিয়ে আধুনিক জীৱনলৈ লোক-জীৱনৰপৰা বুটলি অনা ঐতিহ্য, পৰম্পৰাৰ মূল্যায়ন কৰাৰ চেষ্টা কৰিছে। লোকসমাজত প্ৰচলিত বিভিন্ন অনুষ্ঠানৰ মূল পৰিচালক আইতাসকল। আধুনিক জীৱনতো 'আইতা' চৰিত্ৰৰ ভূমিকা পালন কৰে অভিজ্ঞ নাৰীসকলে। আইতাৰ কৰ্মস্পৃহা, সংস্কৃতি চেতনাৰ প্ৰসংগ প্ৰকাশ কৰোঁতে কবিয়ে তোলনী বিয়াৰ প্ৰসংগ, ভাওনা অনুষ্ঠানৰ প্ৰসংগ, বৰ বিয়াৰ প্ৰসংগ, পূজা-সেৱাৰ প্ৰসংগ আদি বৰ্ণনা কৰিছে—

> গাঁৱৰ ভাওনা হোৱা
> ধনবৰে ভাও লোৱা
> দিনতেই পানী-দুনি আনি
> উখল মাখলকৈ
> পেহীটিৰ সতে গৈ
> চিকৰ আঁৰত গৈ বহা
> - - -   - - -
> আইথান, শিৱদ'ল
> জল, থল ডাঙৰীয়া
> সেৱা পূজা শাহু আইৰ বাকীকে নৰ'ল।[২]
>
> — (আইতা)

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনত প্ৰচলিত উৎসৱ-অনুষ্ঠানৰ প্ৰসংগ স্পষ্ট। সময়ৰ দ্ৰুত পৰিৱৰ্তনৰ লগে লগে আধুনিক জীৱনশৈলীৰ পৰিৱৰ্তন ঘটিলেও কবিয়ে গ্ৰাম্য জীৱনৰ সৰলতাৰ মাজতহে সৃষ্টিৰ সমল বিচাৰি লৈছে। কবিয়ে মনত কঢ়িয়াই ফুৰা শংকা কবিতাৰ মাজেৰে প্ৰকাশ পাইছে।

লোক-জীৱনত পালন কৰা উৎসৱ-অনুষ্ঠানসমূহৰপৰা আহৰণ কৰা সমলসমূহ কবিৰ সৃষ্টিৰ পুঁজিস্বৰূপ। কবিৰ কবিতাৰে লোক-জীৱনত প্ৰচলিত উৎসৱ-অনুষ্ঠানৰ অনেক প্ৰসংগ পোনপটীয়াকৈ ব্যৱহৃত হৈছে। এনে প্ৰসংগৰ ব্যৱহাৰে নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ বিষয়বস্তুলৈ নতুনত্ব আনিছে আৰু এটা সুকীয়া ধাৰাৰ সৃষ্টি কৰিছে।

**লোকশিল্পৰ প্ৰতিফলন ঃ**

লোক-জীৱনৰ বহল ক্ষেত্ৰখনত লোকশিল্পৰ ভূমিকা গুৰুত্বপূৰ্ণ। লোকশিল্পই লোকমনৰ সৃজনী শক্তিৰ পৰিচয় দিয়ে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোকশিল্পৰ প্ৰসংগ ব্যৱহাৰ হোৱা দেখা যায়। লোকশিল্প লোক-জীৱনৰ জীৱন-যাপন কলাৰপৰা সৃষ্ট অভিজ্ঞতা বা জ্ঞান।[৩] লোকশিল্প সৃষ্টিমূলক লোকজ্ঞান। পৰম্পৰাগত শিক্ষা প্ৰক্ৰিয়াৰে লোকশিল্প এটা পুৰুষৰপৰা আন এটা পুৰুষলৈ প্ৰবাহিত হয়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ অভিজ্ঞতাৰ ৰুচিসন্মত দৰ্শনীয় শিল্পৰ উপস্থাপনে অসমীয়া কবিতাৰ বিষয় আৰু ভাবক গভীৰতা প্ৰদান কৰা দেখা যায়।

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে প্ৰতিফলিত লোকশিল্পৰ অনুষংগই আধুনিক সময়ৰ ৰেহৰূপৰ প্ৰকাশ ঘটায়। আধুনিক জীৱনশৈলীত লোকশিল্পৰ সৰলতা, শিল্পনিপুণতাৰ গুৰুত্ব কবিয়ে অনুভৱ কৰিছে। কবিয়ে আধুনিক জীৱন যন্ত্ৰণাক জয়ী কৰিবলৈ, জীৱনক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ লোকশিল্পৰ সৌন্দৰ্যচেতনা কবিতাৰে উন্মোচন কৰিছে। লোকশিল্পৰ অন্যতম অংগ তাঁতশালত শিপিনীয়ে ফুল বছাৰ লগত লোকশিল্পীৰ সৃজন দক্ষতা জড়িত হৈ থাকে। কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোকশিল্পৰ অনুষংগৰ প্ৰতিফলন ঘটিছে—

গুণগুণনিবোৰ ফুল হৈ ফুলিছিল
তাঁতশালত। ৰি-ৰিয়নিবোৰে তেজত
অকাই পকাই নামিছিল; উঠিছিল। এইটো
বতৰতে সিহঁতে পি খাব খুজিছিল
ৰাগী ধৰা ঋতুটো।[৪] — (ৰাগী ধৰা ঋতুটো)

লোক-জীৱনৰ অভিজ্ঞতাৰ ৰুচিসন্মত দৰ্শনীয় শিল্পৰ উপস্থাপনে অসমীয়া কবিতাৰ বিষয় আৰু ভাবক গভীৰতা প্ৰদান কৰা দেখা যায়। কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোকশিল্পৰ প্ৰসংগ ব্যৱহাৰ হোৱা দেখা যায় এনেদৰে—

জীৱনৰ অন্য নাম
যন্ত্ৰণা।
টোম এটা সাজিবলৈও
বেতডাল, বাঁহডাল
তুলাব লাগে
মূৰ্তি এটা গঢ়িবলৈও
শিলডোখৰ কাটিব লাগে...[৫]

লোকশিল্পই লোকমনৰ নিজা ৰূপ, বৈশিষ্ট্য উত্তৰপুৰুষলৈ সঞ্চিত কৰে। কবিয়ে পুনৰ কৈছে শিলত কটা মূৰ্তি এটাৰ কথা। শিলত কটা মূৰ্তিটোৱে লোক-ভাস্কৰ্যৰ নিদৰ্শন দাঙি ধৰিছে। আধুনিক জীৱনশৈলীত লোকশিল্পৰ এই সৰল শিল্পনিপুণতাৰ গুৰুত্ব কবিয়ে অনুভৱ কৰিছে। আধুনিক জীৱন যন্ত্ৰণাক জয়ী কৰিবলৈ, জীৱনক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ লোকশিল্পৰ সৌন্দৰ্যচেতনা, উপভোগ কৰাটো অতি দৰকাৰী। কবিৰ কবিতাৰে লোকশিল্পৰ প্ৰসংগ ব্যৱহাৰ হৈছে আধুনিক জীৱনত ব্যক্তিজীৱনৰ জৰাজীৰ্ণ অৱস্থাক কটাক্ষ কৰি।

**আচাৰ-নীতিৰ প্ৰতিফলন ঃ**

লোক-জীৱন অনেক আচাৰনীতিৰ সমলকেন্দ্ৰ। প্ৰচলিত লোকবিশ্বাস, লোকধৰ্ম, অন্ধবিশ্বাস, ৰীতি-নীতিৰ আধাৰত পালন কৰা হয় আচাৰ-অনুষ্ঠানসমূহ। আচাৰনীতিৰ জৰিয়তে লোক-জীৱনৰ স্বৰূপ জানিব পাৰি। লোক-জীৱনত পালন কৰা আচাৰ-নীতিসমূহৰ গুৰুত্ব আৰু যুক্তিযুক্ততা বৰ্তমান সময়তো প্ৰযোজ্য। প্ৰাকৃতিক বিভিন্ন কাৰণত লোকমনত নানা প্ৰশ্ন, সন্দেহ, কৌতুহল, ভয়, সংকোচ আদিৰ সৃষ্টি হয় আৰু সেই প্ৰশ্ন, সন্দেহ, কৌতূহল, ভয়-সংকোচৰ যথাযোগ্য সন্তোষজনক উত্তৰ বা ব্যাখ্যা বিচাৰি নোপোৱাৰ ফলত কিছুমান আচাৰ-নীতি পালন কৰে লোকসমাজে। মানৱ সমাজত পৰম্পৰাগতভাৱে কিছুমান লোকবিশ্বাস মানি আহিছে। লোকাচাৰসমূহৰ মাজেৰে বিজ্ঞানসন্মত যুক্তিযুক্ততাও নথকা নহয়। লোক-সমাজত দৈনন্দিন জীৱনত জন্মৰপৰা মৃত্যুলৈকে কিছুমান লোকাচাৰ পালন কৰা হয়। এনে কিছুমান লোকাচাৰৰ লগত লোকবিশ্বাস জড়িত হৈ থাকে। অসমীয়া সমাজত প্ৰচলিত কেঁচুৱা জন্মিলে বাজ উলিওৱা বা সূৰ্য দেখুওৱা আদি লোকাচাৰৰ লগত লোকবিশ্বাসৰ সম্পৰ্ক গভীৰ। লোকাচাৰসমূহ জন্ম, মৃত্যু, বিবাহ আদিৰ লগত প্ৰধানভাৱে জড়িত।

নির্মলপ্ৰভা বৰদলৈৰ কবিতাৰ মাজেৰে লোক-জীৱনত প্ৰচলিত বিভিন্ন আচাৰনীতিৰ প্ৰসংগ উপস্থাপন হৈছে। লোকসাহিত্যৰ অন্যতম অংগ লোক আচাৰনীতিৰ প্ৰসংগ ব্যৱহাৰ কৰি কবিয়ে অসমীয়া লোক- জীৱনৰ লগত আধুনিক জীৱনৰ সংযোজন ঘটাইছে। আধুনিক সমাজ জীৱনত লোক-জীৱনৰ প্ৰভাৱ গভীৰভাৱে অনুভৱ কৰি কবিয়ে পৰম্পৰা আৰু নতুনত্বৰ ভেটিত লোকাচাৰসমূহৰ উপস্থাপন কৰিছে। কবিতাৰে লোকাচাৰৰ প্ৰসংগ প্ৰয়োগৰদ্বাৰা সমাজৰ বাবে প্ৰয়োজনীয় বাৰ্তা প্ৰেৰণত কবি সফল হৈছে। তদুপৰি লোক আচাৰনীতিৰ উল্লেখে লোকপৰম্পৰাৰ অৱস্থান, গুৰুত্ব আৰু বাস্তৱ জীৱনত তাৰ প্ৰভাৱ সম্পৰ্কে জনাত সহায় কৰিছে। আধুনিক অসমীয়া কবিতা গণমাধ্যমৰো এক শাখা, এই গণমাধ্যমৰ জৰিয়তে কবিয়ে লোক-জীৱনক সূক্ষ্মভাৱে অধ্যয়ন কৰি আধুনিক চিন্তাৰে পুনৰ নতুন ৰূপত উপস্থাপন কৰিছে— যাৰ লগে লগে অসমীয়া লোক-সংস্কৃতিৰ সমলৰাজিৰ গুৰুত্ব আৰু সম্ভাৱনীয় দিশসমূহ স্পষ্ট হৈছে।

কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোকবিশ্বাসৰ প্ৰতিফলন ঘটিছে। লোকসমাজত চ'তৰ মাহত অহা বতাহ ধুমুহাক 'বৰদৈচিলা' নামেৰে অভিহিত কৰা হয়। 'বৰদৈচিলা'ই মাকৰ ঘৰলৈ যাওঁতে সকলো ধ্বংস কৰি থৈ যায় বুলি বিশ্বাস কৰা হয়। সেয়ে বৰদৈচিলাক সন্তুষ্ট কৰিবলৈ লোক-জীৱনত কিছুমান আচাৰনীতিৰ পালন কৰে। কবিয়ে 'বৰদৈচিলা'ক আধুনিক চিন্তাৰে উপস্থাপন কৰিছে এনেদৰে—

বৰদৈচিখ্‌লা  
তোমাক বুলিছোঁ আই  
তোমাক বুলিছোঁ বাই  
মিনতি কৰিছোঁ  
দুয়োহাত যুৰি  
তোমাৰ খঙাল ল'ৰাটো  
নিচুকাই দিয়া  
নিচুকনি গীত গাই।[৬] — (বৰদৈচিখ্‌লা)

**লোকবিশ্বাসৰ প্ৰতিফলন ঃ**

লোকবিশ্বাস লোক-জীৱনৰ এৰাব নোৱৰা অংগ। সামাজিক লোক আচাৰ-অনুষ্ঠান বা লোকাচাৰৰ অন্যতম উপশ্ৰেণী লোকবিশ্বাস আৰু লোকধৰ্ম লোক-সংস্কৃতিৰ গুৰুত্বপূৰ্ণ উপাদান। পৃথিৱীৰ বিভিন্ন দেশত প্ৰচলিত আধুনিক ধৰ্মৰ বুনিয়াদ হৈছে লোকধৰ্ম আৰু লোকধৰ্মৰো আধাৰ হৈছে লোকবিশ্বাস।[৭] লোকবিশ্বাসৰ লগত আচাৰ-অনুষ্ঠান, লোকধৰ্ম জড়িত। লোকসমাজত পৰম্পৰাগতভাৱে লোকবিশ্বাস আদি চলি আহিছে। লোকবিশ্বাসৰ মূল ভিত্তি হৈছে ধৰ্ম। লোকসমাজ বা আধুনিক সমাজ উভয়তে লোকবিশ্বাসৰ গুৰুত্ব দেখা যায়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে স্পষ্ট ৰূপত লোকবিশ্বাসৰ প্ৰতিফলন ঘটা দেখা যায়।

লোকবিশ্বাসৰ মাজেৰে লোক-জীৱনৰ মনোজগত আৰু জীৱন-যাপনৰ আদৰ্শৰ পৰিচয় পোৱা যায়। লোক-জীৱনত প্ৰচলিত অনেক লোকবিশ্বাসৰ প্ৰসংগ নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে প্ৰকাশ পাইছে—

কেনিও লৰিব নোৱাৰা  
লৰচৰ কৰিব নোৱাৰা  
মই শিলৰ মূৰ্ত্তি হ'লো  
ওঁঠত লাগি থকা  
প্ৰাৰ্থনাৰ মন্ত্ৰটো  
শব্দপ্ৰবাহত কেৱল ওপঙি ৰ'ল।[৮] — (বিষণ্ণ প্ৰহৰ)

লোক-জীৱনত গভীৰভাৱে শিলপূজা, দেৱতাৰ পূজা, প্ৰাৰ্থনাৰে ভগৱানৰ কৃপাদৃষ্টি লাভ কৰাৰ চেষ্টা মানি চলা দেখা যায়। কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোকবিশ্বাসৰ এনে প্ৰসংগৰ প্ৰয়োগ ঘটিছে এনেদৰে—

ময়েই দেৱতা  
ময়েই 'যন্ত্ৰ'  
ময়েই 'বীজমন্ত্ৰ'  
মোৰেই মাজত 'ভূ'  
মোৰেই মাজত 'ভৱ'  
মোৰ দেহতেই  
নিছিগা ধাৰাৰে  
প্ৰবাহিত হোৱা  
আত্মা,  
মই  
অভিনৱ  
তন্ত্ৰ।।[৯] — (পৰম চেতনা)

**লোক-সাজপাৰৰ প্ৰতিফলন ঃ**

লোক-জীৱনক সমৃদ্ধ কৰা সমলসমূহৰ ভিতৰত অন্যতম হৈছে লোক-সাজপাৰ। লোক-সাজপাৰে লোক-

জীৱনৰ কলাত্মক দিশৰ পৰিচয় বহন কৰে। অসমীয়া লোক-জীৱনত সাজপাৰৰ এক বিশেষ মৰ্যাদা আছে। সাজপাৰৰ লগত লজ্জা নিবাৰণ, শিষ্টাচাৰ, ৰুচি, সামাজিক পৰিচয় আদি দিশ জড়িত হৈ থাকে। সাজপাৰৰ জৰিয়তে লোক-জীৱনৰ এখন বৰ্ণময় ছবি প্ৰকাশ পায়। লোক-জীৱনত সাজপাৰৰ এক বিশেষ গুৰুত্ব আৰু মৰ্যাদা আছে। কবিতাৰ মাজেৰে লোক-জীৱনৰ প্ৰসংগ উপস্থাপনত লোক-সাজপাৰৰ প্ৰসংগই গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। অসমীয়া কবিতাত বিভিন্ন প্ৰসংগত সাজপাৰৰ উল্লেখ দেখা যায়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত সাজপাৰৰ উপস্থাপনৰ জৰিয়তে আধুনিক জীৱনত লোক-জীৱনৰ প্ৰসংগ যে এৰাব নোৱৰাকৈ সম্পৰ্কযুক্ত তাৰ ইংগিত দিয়ে। অসমীয়া লোক-সাজপাৰৰ ভিতৰত অন্যতম ফুলাম গামোচা, চুৰিয়া, চাপকন চোলা, ৰিহা-মেখেলা, পাটৰ মেখেলা, পাটৰ ৰিহা, খনীয়া কাপোৰ, এৰী চাদৰ, মুগাৰ সাজ আদি। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোক-সাজপাৰৰ প্ৰসংগ স্পষ্টৰূপত প্ৰকাশ পাইছে। অতীত সংযোগৰ ফলতহে আধুনিক কবিতাৰ কাব্যগুণ ৰুচিপূৰ্ণ হৈ উঠিছে। গতিকে আধুনিক জীৱনক নতুনত্ব প্ৰদান কৰা লোক-জীৱনৰ প্ৰসংগ সাহিত্যৰ ক্ষেত্ৰতো সদায়ে প্ৰযোজ্য। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাও ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁৰ কবিতাত লোক-সাজপাৰৰ প্ৰসংগ উপস্থাপন হৈছে এনেদৰে—

বগা ডাৱৰে
মূৰত পাগুৰি মাৰি
নটুৱা নাচ এটাৰ
আখৰা কৰিছে
গুৰু তিথিলে'[১০] — (আগ শৰৎ)

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে লোক-জীৱনত ব্যৱহৃত সাজপাৰৰ প্ৰসংগ সুন্দৰকৈ প্ৰকাশ পাইছে। কবিৰ কল্পনাত লোক-জীৱনৰ ভাওনা অনুষ্ঠানৰ প্ৰসংগই স্থান পাইছে। নটুৱা নাচৰ ভাৱৰীয়াই মূৰত বগা পাগুৰি মাৰি ভাওনা পৰিৱেশন কৰাৰ কথা কবিয়ে কবিতাৰে প্ৰকাশ কৰিছে। কবিৰ অনেক কবিতাত লোক-সাজপাৰৰ প্ৰসংগই স্থান পাইছে। উদাহৰণস্বৰূপে —

দোকানৰ জাপভঙা
গামোচাৰ সুবাসত[১১] — (কৰুণতম)

**লোক আ-অলংকাৰৰ প্ৰতিফলন ঃ**

লোক-জীৱনত আ-অলংকাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আ-অলংকাৰৰ মাজেৰে লোক-জীৱনৰ শিল্পীসত্তাৰ পৰিচয় পাব পাৰি। অসমৰ লোক-জীৱনত বিবিধ প্ৰকাৰৰ আ-অলংকাৰৰ ব্যৱহাৰ হোৱা দেখা যায়। লোক-জীৱনৰ সাংস্কৃতিক সত্তাৰ মূল্যায়নত আ-অলংকাৰৰ ভূমিকা অন্যতম। লোক-সমাজত জীৱন ধাৰণৰ বাবে মূৰৰ ঘাম মাটিত পেলাই মানুহে শ্ৰম কৰে। সেই শ্ৰমৰ মাজতো স্বতঃস্ফূৰ্ত এক শিল্পচেতনা দেখা যায়। তাৰ ফলস্বৰূপে আ-অলংকাৰ সমূহৰ সৃষ্টি। আ-অলংকাৰসমূহ প্ৰস্তুত কৰাৰ কিছুমান নিৰ্মাণ কৌশল আছে। পৰম্পৰাগত ভাৱে এই সৃষ্টিকৰ্ম লোক-জীৱনত প্ৰবাহিত হৈ আছে। লোক-জীৱনত আ-অলংকাৰৰ ব্যৱহাৰ বৰ্তমান সময়তো কমা নাই; কিন্তু আৰ্থিক দুৰ্বলতাৰ বাবে ব্যয়বহুল মিনা কৰা বা বাখৰ খটোৱা অলংকাৰ ব্যৱহাৰ কৰিবলৈ সক্ষম নহয় বহুলোক, এনে পৰিপ্ৰেক্ষিতত সোণৰ আ-অলংকাৰ, মিনা কৰা বাখৰ খটোৱা অলংকাৰ আধুনিক সম্ভ্ৰান্ত ব্যক্তিৰ ঘৰতহে ব্যৱহাৰ কৰে। লোক-জীৱনত ব্যৱহৃত আ-অলংকাৰসমূহ বৰ্তমান সময়ত আধুনিক নগৰীয়া সমাজৰ সম্পদ হৈ পৰিছে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক আ-অলংকাৰৰ প্ৰসংগ ব্যৱহাৰ কৰা দেখা যায়। তেওঁ লোকসমাজৰপৰা আঁতৰি যাব পৰা নাই। লোকসমাজৰ প্ৰতিটো উপাদানে কবিক আকৰ্ষণ কৰি থাকে। সেয়েহে আ-অলংকাৰৰ প্ৰসংগও কবিৰ কবিতাৰে উপস্থাপন কৰা দেখা গৈছে। পৰম্পৰাৰ সৈতে অতীত বৰ্তমান আৰু ভৱিষ্যতৰ সম্পৰ্ক জড়িত হৈ থাকে। পৰম্পৰাৰ মৃত্যু হ'ব নোৱাৰে, পৰিৱৰ্তন বা উত্তৰণহে হয়। লোক-সংস্কৃতিও সেয়ে স্থবিৰ নহয়, ই সদায়ে প্ৰাসংগিক আৰু গতিশীল। লোক-সংস্কৃতিৰ অন্যতম উপাদান লোক আ-অলংকাৰৰ প্ৰসংগ নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰে ব্যৱহাৰ হৈছে এনেদৰে—

মই যোৱাটো বেলিৰ
বিহুৰ শপত
কণ্ঠে কণ্ঠে আঁৰি লোৱা সেই
ৰঙা পোৱালৰ মণি[১২] — (ৰঙা পোৱালৰ মণি)

লোক-জীৱনত পোৱালমণিৰ গুৰুত্ব আছে। অসমীয়া গাভৰু আৰু বিহুৱতীৰ অতিকৈ আপোন অলংকাৰ পোৱালমণিৰ জোনবিৰি। কবি নিৰ্মলপ্ৰভা বৰদলৈয়ে সভ্যতা সংস্কৃতিৰ অন্যতম পথ নিৰ্দেশক লোক আ-অলংকাৰৰ প্ৰসংগৰ জৰিয়তে আধুনিক জীৱনৰ লগত লোক-জীৱনৰ সম্পৰ্ক স্থাপন কৰিছে।

**সামৰণি ঃ**

কবিতাত লোক-জীৱনৰ প্ৰতিফলন এক বিশিষ্ট দিশ। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰসংগ, যেনে—

উৎসৱ-অনুষ্ঠান, লোকশিল্প, আচাৰ-নীতি, লোকবিশ্বাস আৰু লোক-সাজপাৰৰ অনুষংগ ব্যৱহৃত হোৱা দেখা যায়। গ্ৰাম্য জীৱনৰ জীৱন্ত আৰু পৰিচিত উৎসৱ-অনুষ্ঠান, লোকশিল্প, আচাৰ-নীতি, লোকবিশ্বাস আৰু লোক সাজপাৰৰ প্ৰসংগই অসমীয়া কবিতাক বিশেষত্ব দান কৰাৰ লগতে পাঠকৰ ওচৰ চপাই নিবলৈ সক্ষম হৈছে। অসমীয়া কবিতাত লোক-জীৱনৰ ভাবানুষংগৰ প্ৰসংগই এক সম্ভাৱনাপূৰ্ণ ভৱিষ্যতৰ ইংগিত দিয়ে লোক-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ চৰম উন্নতিয়ে মানুহক এখন সুলভ জগতৰ সন্ধান দিলেও মানুহৰ অন্তৰৰ তাগিদাক কেতিয়াও বিসৰ্জন দিব নোৱাৰে। সেয়ে সভ্যতাৰ সংকটে বিচ্ছিন্ন কৰা মানুহে কবিতাৰ যোগেদি লোক-জীৱনৰ সৰলতাক মানুহৰ মাজলৈ আদৰি আনে। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত আধুনিক চিন্তা আৰু মতামত প্ৰকাশত লোক-জীৱনৰ প্ৰসংগ নুই কৰিব নোৱাৰি।

**সিদ্ধান্ত ঃ**

**নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ প্ৰতিফলন ঃ এক বিশ্লেষণাত্মক অধ্যয়ন** শীৰ্ষক আলোচনাপত্ৰখনিৰ অধ্যয়নৰ অন্তত কেইটিমান সিদ্ধান্তত উপনীত হ'ব পৰা গ'ল—

- লোক-জীৱনৰ সমলযুক্ত সাৰ্থক আধুনিক অসমীয়া কবিতা কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কলমেৰে সৃষ্টি হৈছে।
- লোকজীৱনৰ স্পৰ্শ থকা নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত এক আকৰ্ষণ আৰু বিশেষত্ব পৰিলক্ষিত হয়। যিয়ে আধুনিক কবিতাৰ কঠিনতা আৰু জটিলতা হ্ৰাস কৰি পাঠকক কবিতাৰ সোৱাদ দিছে।
- নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত লোক-জীৱনৰ অন্তৰ্গত উৎসৱ-অনুষ্ঠান, লোকশিল্প, আচাৰ-নীতি, লোকবিশ্বাস আৰু পাৰৰ প্ৰতিফলনে সমাজ চিন্তনৰ দিশসমূহ উন্মোচন কৰিছে।
- কবিয়ে কবিতাৰে কৌশলগতভাৱে লোক-জীৱনৰ সমল প্ৰয়োগ কৰি সামাজিক, শোষণ, নিষ্পেষণ, বঞ্চনাৰ আচল ৰূপটো উদ্‌ঘাটন কৰাত সফলতা লাভ কৰিছে বুলি ক'ব পাৰি।
- উৎসৱ-অনুষ্ঠান আৰু লোকশিল্পৰ প্ৰতিফলনৰ জৰিয়তে কবিয়ে নিজা দৃষ্টিভংগী আৰু অভিব্যক্তিৰে কবিতাক পুনৰ নিৰ্মাণ কৰিছে।

**প্ৰসংগ-সূত্ৰ ঃ**

১। ড° নিৰ্মলপ্ৰভা বৰদলৈ, *নিৰ্ব্বাচিত কবিতা*, পৃ. ২৪
২। উল্লিখিত, পৃ. ৩০২
৩। ড° লক্ষী হাজৰিকা (সম্পা.), *ভাষা-সাহিত্য-সংস্কৃতি বীথিকা*, পৃ. ৩৩৪
৪। ড° নিৰ্মলপ্ৰভা বৰদলৈ, *নিৰ্ব্বাচিত কবিতা*, পৃ. ২২
৫। উল্লিখিত, পৃ. ৮
৬। উল্লিখিত, পৃ. ৮৮
৭। নবীন চন্দ্ৰ শৰ্মা, *আধুনিক সমাজত লোকসংস্কৃতি*, পৃ. ৪৮
৮। ড° নিৰ্মলপ্ৰভা বৰদলৈ, *নিৰ্বাচিত কবিতা*, পৃ. ৭
৯। উল্লিখিত, পৃ. ১৭
১০। উল্লিখিত, পৃ. ৩৩
১১। উল্লিখিত, পৃ. ২৪১
১২। উল্লিখিত, পৃ. ১৮৯

**গ্ৰন্থপঞ্জী ঃ**

বৰদলৈ, নিৰ্মলপ্ৰভা, *নিৰ্ব্বাচিত কবিতা*, ইম্‌-প্ৰিণ্ট, গুৱাহাটী-৮, ১৯৯৫
ডেকা হাজৰিকা, কৰবী, *অসমীয়া কবিতা* (চতুৰ্থ সংস্কৰণ), বনলতা, ডিব্ৰুগড়, ২০১২